# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২৬ নৱেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ সৰ্বোত্তম খলিফা ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ দৰবাৰত কোৰ-আন কৰিমৰ গভীৰ জ্ঞান ৰখা পণ্ডিতসকলৰ বৰ মৰ্যদা প্ৰদান কৰা হৈছিল,তেওঁলোকে বয়সস্থই হওঁক বা ল'ৰাই হওঁক। হুৰ বিন ক্যায়েচ হজৰত উমৰ (ৰাঃ)ৰ লগত বহা ব্যক্তি সকলৰ মাজত এজন আছিল। আয়নিয়াহ বিন হুচন বিন হুযায়ফা নিজৰ ভতিজা হুৰ বিন ক্যায়েচৰ আবেদন মৰ্মে হজৰত উমৰ (ৰাঃ)ৰ দৰবাৰত গৈ কৈছিল যে আপুনি আমাক ন্যায় ভাৱে ধন-মাল দিয়া নাই। এই কথা খিনিত হজৰত উমৰ (ৰাঃ)য়ে অসন্তুষ্ট হৈ কিবা ক'বলৈ লওঁতেই হুৰে লগে লগে আবেদন জনাইছিল যে আল্লাহ তা'লা তাৰ নবী (ছাঃ)ৰ হতুৰাই কৈছে- **খুজিল আফওয়া ওৱা মুৰবিল উৰফি ওৱা আৰিজ আনিল জাহিলিন** অৰ্থাৎ দয়ালু হৈ যোৱা আৰু ন্যায় আদেশ প্ৰদান কৰা, আৰু মূৰ্খৰ পৰা আঁতৰি থকাৰ চেষ্টা কৰা। এই আয়নিয়া এজন মূৰ্খ লোক হয় ? হজৰত উমৰ (ৰাঃ)য়ে তৎক্ষণাত থমকি ৰৈছিল কাৰণ হজৰত উমৰ (ৰাঃ) কিতাবুল্লাহৰ বাণী শুনি থমকি গৈছিল।

হজৰত খলিফাতুল মছীহ আউৱাল (ৰাঃ)য়ে এই সম্পৰ্কে বৰ্ণনা কৰিছে যে হজৰত উমৰ (ৰাঃ)য়ে এজন আমিৰক শাস্তি দিয়াৰ কাৰণে এজন ঘাতক (জল্লাদ) মতাই আনিছিল এনেতে এজন দহ বছৰীয়া বালকে উচ্চস্বৰে পঢ়ি শুনাইছিল- **ওৱাল কাজিমিনাল গায়জা ওৱা আৰিজ আনিল জাহিলিন হাজা মিনাল জাহিলিন**। এই কথাখিনি শুনাৰ লগে লগে হজৰত উমৰ (ৰাঃ)ৰ অৱয়ব হেঁতা পৰি গৈছিল আৰু তেখেত (ৰাঃ)য়ে স্তব্দ হৈ গৈছিল। হজৰত উমৰ (ৰাঃ)য়ে ল'ৰাবিলাকৰ শিক্ষা আৰু সিহঁতৰ বিবেক বুদ্ধি চোকা কৰিবলৈ সিহঁতক নিজৰ দৰবাৰলৈ মাতি আনিছিল আৰু তেওঁলোকৰ লগত পৰামৰ্শ,আলোচনা-বিলোচনা কৰিছিল।

হজৰত উমৰ (ৰাঃ)য়ে বায়তুল মালৰ ধন ৰক্ষণা-বেক্ষণ আৰু পৰিচালনাৰ ক্ষেত্ৰত বৰ সতৰ্কতা অৱলম্বন কৰিছিল। এবাৰ কোনোবায় এখেত (ৰাঃ)ক এগিলাচ গাখীৰ দিছিল আৰু তেখেতে সেয়া পান কৰি সুধিছিল যে এয়া ক'ৰ পৰা অনা হৈছে ? এই প্ৰশ্নৰ উত্তৰত জনোৱা হয় যে এই গাখীৰ জাকাতৰ উটৰ গাখীৰ। হজৰত উমৰ (ৰাঃ)য়ে এই উত্তৰ শুনি জাকাতৰ বস্তু পান কৰি পেলোৱাত নিজৰ মুখত আঙুলি সোমাই বমি কৰি সেই গাখীৰ

উলিৰাই পেলাইছিল। এবাৰ হজৰত উমৰ (ৰাঃ)ৰ বেমাৰ হোৱাত ঔষধ হিচাপে মৌ পান কৰাৰ পৰামৰ্শ দিয়া হয়, যি বায়তুল মালত ষ্টক আছিল। কিন্তু হজৰত উমৰ (ৰাঃ)য়ে লোকৰ বিনা অনুমতিত বায়তুল মালৰ মৌ লোৱাটো হাৰাম বুলি নিৰ্ধাৰণ কৰিছিল।

এদিন দুপৰীয়া প্ৰখৰ ৰ'দত গৰমৰ মাজত পিছত ৰৈ যোৱা দুটা উট খেদি চৰণীয়া পথাৰলৈ লৈ যায় যাতে সেই উট দুটা হেৰুৱাই নাযায়। এনেদৰে এটা খেদি লৈ গৈ হজৰত উচমান (ৰাঃ)ক কৈছিল যে এয়া মোৰ কাম হয় আৰু মইয়েই কৰিম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আল্লাহ তা'লা মুছলমান সকলক ধন দিছে,সন্মান দিছে,ক্ষমতা দিছে কিন্তু তেওঁলোকে ইছলামী শিক্ষাৰ প্ৰতি আলস্য হোৱা নাই। ছঈদ বিন মুচায়েব (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে হজৰত উমৰ (ৰাঃ)য়ে এবাৰ এজন ইহুদী আৰু মুছলমানৰ মাজত লড়াই হোৱাত আৰু সেই ইহুদী ন্যায় পথত থকাৰ বাবে তাৰ পক্ষেই ৰায় দিছিল। হজৰত আনাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে হজৰত উমৰু বিন আচ (ৰাঃ)ৰ পুত্ৰই মিছৰৰ এজন লোকক দৌৰত আগত যোৱাৰ বাবে চাবুকেৰে কোবাইছিল। এই ঘটনাৰ মীমাংসা দিবলৈ হজৰত উমৰ (ৰাঃ)য়ে সেই মিচৰি লোকজনৰ হতুৱাই হজৰত উমৰু বিন আচ (ৰাঃ)ৰ পুত্ৰক চাবুক মৰাইছিল। এটা বৰ্ণনাত উল্লেখ আছে যে এবাৰ এজন মানুহে কৈছিল অৰ্থাৎ হজৰত উমৰ (ৰাঃ)ক কৈছিল যে যদি মই আপোনাৰ মাজত কোনো ধৰণৰ বক্ৰতা দেখিবলৈ পাওঁ তেন্তে সেয়া মই নিজৰ তৰোৱালেৰে পোন কৰি দিম। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে আল্লাহ তা'লাৰ শলাগ লৈছিল যে এই উম্মতৰ মাজত এনেকুৱা ব্যক্তিও আছে। এবাৰ হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে মোৰ ওচৰত আটাইতকৈ পছন্দীয় ব্যক্তি হ'ল সেই জন যিজনে মোৰ দুৰ্বলতা সম্পৰ্কে মোক জনায়। ইয়াৰ পিছত হজৰত উমৰ (ৰাঃ)ৰ আৰু এটা কথা বৰ্ণনা কৰা হয় যে তেখেতে কৈছে- মোৰ ভয় হয় যে মই ভুল কৰিম আৰু লোকে মোৰ ভয়ত মোক সজ বাট নেদেখুৱাব।

এদিন এজন লোকে আহি ভৰ মজলিচত ক'বলৈ ধৰিলে যে হে উমৰ ! আল্লাহক ভয় কৰা। সেই লোকজনৰ এই কথাটো শুনি সভাৰ কিছুমান লোক ৰাগান্বিত হৈ উঠে আৰু তাক চুপ কৰাব বিচাৰে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে লোক জনক কৈছিল তোমাৰ নিস্তাৰ নাই যদি তুমি মোৰ দুৰ্বলতা কি, সেয়া লুকোৱা আৰু মোৰও নিস্তাৰ নাই যদি মই সেয়া নুশুনো অৰ্থাৎ তেওঁক কৈছিল যে কেৱল কথাই নক'বা বৰং বিতং ভাৱে কোৱা, কি তুমি ক'ব বিচাৰিছা।

হজৰত উমৰ (ৰাঃ)য়ে ধৰ্মীয় বিষয়ত ইছলামী শিক্ষাৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল। ইস্কেন্দ্ৰিয়া বিজয়ৰ পিছত যুদ্ধ বন্দী সকলক পূৰ্ণ স্বাধীনতা দিয়া হয় যে যদি তেওঁলোকে ইছলাম গ্ৰহণ কৰে তেন্তে তেওঁলোকক মুছলমান সকলৰ সমান অধিকাৰ প্ৰদান কৰা হ'ব আৰু যিজনে নিজৰ ধৰ্মত অটুট থাকিব তাৰ ওপৰত জিজিয়া আৰোপ কৰা হ'ব। এই চৰ্ত অনুসৰি বহু কেইজন কয়েদীয়ে মুছলমান হৈ গৈছিল। এজনী মৰো মৰো অৱস্থাত দৰিদ্ৰ বৃদ্ধা ঈছাই মহিলাক ইছলামলৈ আহ্বান জনায়। এই ঘটনাৰ পিছতেই আল্লাহ তা'লাৰ ওচৰত তওবা কৰে যে তাইৰ বাধ্যবাধকতায় যেন তাইৰ মুছলমান হোৱাত বাধাৰ সৃষ্টি নকৰে। নিজৰে এজন ঈছাই কৃতদাস আছশ্বাকক ইছলাম গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাইছিল কিন্তু তেওঁ অস্বীকাৰ কৰিছিল। হজৰত উমৰ (ৰাঃ)য়ে কৈছিল- লা ইকৰা ফিদ্দিন অৰ্থাৎ দ্বীনৰ ক্ষেত্ৰত বল প্ৰয়োগৰ বিধান নাই। সেয়ে নিজৰ মৃত্যুৰ সময়ত সেই গোলাম জনক মুক্ত কৰি দিছিল। হজৰত উমৰ (ৰাঃ) জন্তুৰ প্ৰতিও সহানুভূতিশীল আছিল। এটা উটৰ পিঠিত ক্ষত হোৱা দেখি কৈছিল তোৰ বিষয়ে মই আল্লাহ তা'লাৰ প্ৰশ্নক ভয় কৰো। এবাৰ এজন দাসে চাৰি মাইল দূৰ ঘোঁৰা চলাই গৈ মাছ কিনি আনে তেতিয়া হজৰত

উমৰ (ৰাঃ)য়ে সেই জন্তুটোৰ শৰীৰত ঘাম ওলোৱা দেখি লৈ অনা মাছ খাবলৈ অস্বীকাৰ কৰিছিল আৰু কৈছিল মোৰ বাবে এটা জন্তুক কষ্ট দিয়া হৈছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই বিষয়ে বৰ্ণনা কৰিছে যে হজৰত উমৰ (ৰাঃ)ক এজন ইহুদীয়ে কয় যে কোৰ-আন মজিদত এনেকুৱা এটা আয়াত আছে যদি সেয়া আমাৰ কিতাপত অৱতীৰ্ণ হ'লহেঁতেন তেন্তে আমি সেই দিনটোত ঈদ উদযাপন কৰিলোঁহেঁতেন। হজৰত উমৰ (ৰাঃ)য়ে সুধিছিল সেয়া কোনটো আয়াত। ইহুদীজনে উত্তৰ দিছিল সেয়া হ'ল **আলইয়াওমা আকমালতু লাকুম দিনুকুম**। হজৰত উমৰ (ৰাঃ)য়ে কৈছিল- সেই দিনটো দেখোন আমাৰ বাবে দুটা ঈদৰ দিন হয় অৰ্থাৎ জুমাৰ দিন আৰু আৰফাৰ দিনা এই আয়াত অৱতীৰ্ণ হৈছিল সেই দিন।

কিছুমান বুজুৰ্গ ব্যক্তি সকলে বৰ্ণনা কৰিছে যে যেতিয়া লোকে কিছুমান মছলা সম্পৰ্কে মতবিৰোধ কৰিছিল তেতিয়া দেখিছো যে হজৰত উমৰ (ৰাঃ)য়ে সকলো মূখ্য ব্যক্তি সকলৰ পৰামৰ্শ নলৈ কোনো কাম কৰা নাছিল। হজৰত কাবিছা বিন জাবিৰ (ৰাঃ)য়ে কৈছে যে মই হজৰত উমৰ (ৰাঃ)তকৈ বেছি আল্লাহৰ কিতাপ পঢ়োতা, আল্লাহৰ দ্বীন বুজি পাওঁতা আৰু পঢ়া-লিখা কৰোঁতা লোক বেলেগ আৰু কাকো দেখা নাই। হজৰত হাচান বছৰি (ৰাঃ)য়ে কৈছে যেতিয়া তোমালোকে নিজৰ বৈঠক মনোৰম বনাব বিচৰা তেতিয়া হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে মনত পেলাবা। মুজাহিদৰ পৰা বৰ্ণিত আছে যে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত চয়তান শৃংখলিত আছিল। যেতিয়া তেখেত (ৰাঃ)য়ে শ্বহীদ হয় তেতিয়া চয়তানে জমিনৰ ওপৰত জপিয়াবলৈ ধৰে। আলি মহম্মদ চেলাবীয়ে লিখিছে যে হজৰত উমৰ (ৰাঃ)য়ে ইছলামী ঐতিহ্য বিলাক অংকন কৰি তুলা কবিতা বিলাক বৰ ভাল পাইছিল। হজৰত উমৰ (ৰাঃ)য়ে প্ৰণয় মূলক কবিতা বিলাকত সজ মহিলা সকলৰ নাম উল্লেখ কৰাৰ পৰম্পৰা বন্ধ কৰি দিছিল আৰু এনে কৰিলে তাৰ বাবে শাস্তিৰ বিধান কৰি দিছিল। হজৰত উমৰ (ৰাঃ)ৰ গুণাৱলী আৰু পৱিত্ৰতা সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে কিছুমান ভৱিষ্যতবাণী আছে, যিবোৰ মাত্ৰ এবাৰেই পূৰ্ণ প্ৰকাশ হোৱাৰ আশা কৰা হৈছে; সেয়া কেইবা বাৰ প্ৰকাশ পাইছে অথবা অইন কোনো ব্যক্তিৰ ওপৰত প্ৰকাশ হৈছে। যেনেকৈ আছে যে আমাৰ নবী (ছাঃ)য়ে ভৱিষ্যতবাণী কৰিছিল যে কায়চৰ আৰু কিচৰাৰ সাম্ৰাজ্যৰ চাবি-কাঠি তেখেত (ছাঃ)ৰ হাতত ৰখা হৈছে। কিন্তু বাস্তৱতে এয়া হ'ল যে উক্ত ভৱিষ্যদ্বাণী ফলিওৱাৰ আগতেই আঁ-হজৰত (ছাঃ)ৰ দেহাৱসান ঘটিল আৰু নে তেখেত (ছাঃ)য়ে কায়চৰ আৰু কিচৰাৰ সাম্ৰাজ্য দেখিবলৈ পালে নে চাবি-কাঠি দেখিলে। কিন্তু আচলতে লিখন আছিল যে সেই চাবি-কাঠি হজৰত উমৰ (ৰাঃ)য়ে লাভ কৰিব কাৰণ হজৰত উমৰ (ৰাঃ)ৰ সত্তা এটা ছাঁ স্বৰূপে আঁ-হজৰত (ছাঃ)ৰ সত্তাই আছিল। সেই কাৰণেই আলমে অহিত হজৰত উমৰ (ৰাঃ)ৰ হাত পয়গম্বৰে খোদা (ছাঃ)ৰ হাত বুলি ধৰি লোৱা হৈছে।

আকৌ হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আল্লাহ তা'লা হজৰত আবু বক্কৰ (ৰাঃ)আৰু হজৰত উমৰ (ৰাঃ) আৰু হজৰত জিন্নুৰাইন (ৰাঃ)ক ইছলামৰ দুৱাৰ মুখৰ আৰু খেয়ৰুল্লা নাম মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ ফৌজৰ প্ৰথম সৈনিক বনাইছিল। গতিকে যিজন ব্যক্তিয়ে তেখেত সকলৰ মহানতা অস্বীকাৰ কৰিব মই তাৰ বেয়া পৰিণাম আৰু ঈমান নষ্ট হোৱালৈ ভয় কৰো। খুলাফায়ে ৰাশেদিন নিঃসন্দেহ খায়ৰুল আনাম মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ আনুগত্যত শীৰ্ষতম মৰ্যদাৰ স্থানত অধিষ্ঠিত হৈছিল। লগতে আল্লাহ তা'লা তেখেত সকলক সেই অনুগ্ৰহাজী দান কৰিছিল যিবোৰ পৃথিৱীত বাকী আন কাকো দিয়া হোৱা নাই।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ছিয়া সম্প্ৰদায়ৰ বুজুৰ্গ সকলৰ মাজত যিসকলে এয়া ধাৰণা কৰে যে আবু বক্কৰ ছিদ্দিক (ৰাঃ)আৰু উমৰ ফাৰুক (ৰাঃ)য়ে হজৰত আলি আৰু ফাতিমা (ৰাঃ)ৰ প্ৰাপ্য অধিকাৰ খৰ্ব

কৰিছে আৰু এওঁলোকে ন্যায়ৰ পৰা আঁতৰি আছে,অন্যায় ভাল পাই আছে আৰু অত্যাচাৰী সকলৰ পদাঙ্ক অনুসৰণ কৰিছে। সত্য হ'ল এয়া যে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) আৰু উমৰ ফাৰুক (ৰাঃ) দুয়োজনেই আনৰ অধিকাৰ প্ৰদানত কেতিয়াও কাৰ্পন্য কৰা নাই। তেখেত সকলে তাকৱাক নিজৰ বাট আৰু ন্যায় নিজৰ জীৱনৰ উদ্দেশ্য বুলি বনাই লৈছিল; আৰু নিজৰ প্ৰাণক আল্লাহৰ আনুগত্যত নিমজ্জিত কৰি দিছিল। নবী আল ছাকলিনৰ দ্বীনৰ সহায় কৰিবলৈ আপ্ৰাণ চেষ্টাত বিভোৰ হৈ থকা হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ দৰে মই বেলেগ আৰু কাকো পোৱা নাই। আবু বক্কৰ (ৰাঃ) আৰু উমৰ (ৰাঃ)ৰ সততা আৰু পৱিত্ৰতা বহুত উচ্চ আৰু মৰ্যদাৰ অধিকাৰী আছিল। এই দুয়োজন লোকেই এনেকুৱা সমাধিত সমাধিস্থ হৈছে যে যদি মুছা (আঃ)আৰু ঈছা (আঃ) জীৱিত থাকিল হয় তেন্তে তেওঁলোকে নিঃসন্দেহ তাত দফন হ'বলৈ আশা কৰিলে হয়। কিন্তু এই স্থান সন্মানিত ৰাববুল আলামিনৰ ফালৰ পৰা এটা অনুখা ৰহমত হয়; যিয়ে কেৱল সেই লোক সকলৰ ফালে ধাৱিত হয় যাৰ ফালে ইলাহি আজলৰ নিৰ্দেশ হয়। এই সকল লোকক সৰ্বশেষত আল্লাহৰ কৃপাৰ চাদৰে ঢাকি লয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আঁ-হজৰত (ছাঃ)ৰ পিছত ইছলামত যিখিনি অগ্ৰগতি ঘটিছে সেয়া তিনিজন ব্যক্তিৰ কালতে ঘটিছে। হজৰত উমৰ (ৰাঃ)য়ে যিখিনি কৰিছে সেয়া কোনো গুণে কম নহয় যদিও কৃতকাৰ্যতাৰ খট্‌খটি মুঠতে ছিদ্দিক আকবৰ (ৰাঃ)য়ে পাতি দিছিল। ছিদ্দিক (ৰাঃ)য়ে দুৱাৰ মুকলি কৰি দিছিল আৰু হজৰত উমৰ (ৰাঃ)য়ে সেই দুৱাৰেদি বিজয় কঢ়িয়াই আনিছিল।

হজৰত মৌলবী আব্দুল কৰিম চাহাবে লিখিছে যে এবাৰ এজন বন্ধুৱে হজৰত মছীহ মাওউদ (আঃ)ৰ ওচৰত আবেদন জনাইছিল যে আমি আপোনাক মৰ্যদাৰ ক্ষেত্ৰত হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)তকৈ ডাঙৰ বুলি ভাৱিব পাৰিনে আৰু ৰছুলুল্লাহ (ছাঃ)ৰ সমান সমান বুলি মানিব পাৰিমনে ? এই কথাখিনি শুনি হজৰত মছীহ মাওউদ (আঃ) একেবাৰে হেঁতা পৰি গৈছিল আৰু নিজৰ ব্যক্তিত্বৰ ওপৰত এক ভীতিৰ সৃষ্টি হৈছিল আৰু ব্যাকুলতাৰ ঢেউ উঠি গৈছিল। তেখেত (আঃ)য়ে একেবাৰে ছয় ঘণ্টা ধৰি ৰছুলুল্লাহ (ছাঃ)ৰ কল্যাণ নিজৰ দাসত্ব আৰু অতি সাধাৰণ মৰতবা আৰু হজৰত আবু বক্কৰ আৰু হজৰত উমৰ (ৰাঃ)ৰ গুণাৱলী বৰ্ণনা কৰি কৈছিল যে মোৰ বাবে এয়াই যথেষ্ট গৌৰৱ যে মই তেখেত সকলৰ প্ৰশংসা কৰোঁতা আৰু অধম হওঁ। যি গুণাৱলী খোদা তা'লা তেখেত সকলক দান কৰিছে, সেয়া কিয়ামতলৈকে কোনেও লাভ কৰিব নোৱাৰে। কেতিয়া ৰছুলুল্লাহ আকৌ জগতত আহিব আৰু কোনোবাই হজৰত আবু বক্কৰ (ৰাঃ) আৰু উমৰ (ৰাঃ)ৰ দৰে খিদমত কৰিবলৈ সুযোগ পাব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে সৰ্বশেষত কয় যে খোতবা জুমাত ইমানতেই হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে দিয়া বৰ্ণনাৰ অন্ত পৰিল। আগলৈ ইনশা হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আগবঢ়োৱা হ'ব।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................
..................................................................................................................................
..................................................................................................................................
..................................................................................................................................
..................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844